# ফাটবিহু সমিতি

## ২০২২-২৩ আৰু ২০২৪-২৫ বৰ্ষৰ সম্পাদকীয় প্ৰতিবেদন

স্থান ঃ ফাটবিহুতলী ।। তাৰিখ ঃ ২৫-০৩-২০২৫ ।। ১১ চ'ত ১৯৪৬ শক

আজি সাধাৰণ পৰিষদৰ সভাৰ সন্মানীয় সভাপতি তথা ফাটবিহু সমিতিৰ সভাপতি ডাঙৰীয়া, ফাটবিহু সমিতিৰ উপদেষ্টা মণ্ডলী, বিষয়-ববীয়া আৰু সদস্য-সদস্যাসকল, হিচাপ পৰীক্ষকসকলৰ লগতে মোৰ অতি শ্ৰদ্ধাৰ সন্মানীয় সাধাৰণ পৰিষদৰ সদস্য-সদস্যাসকল।

প্ৰতিবেদনৰ আৰম্ভণিতে সকলোলৈকে মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনোৱাৰ লগতে ফাটবিহুৰ ওলগ যাঁচিছো। ফাটবিহু আজি এনে ৰূপত ৰাইজৰ ওচৰলৈ আহি সমাদৰ লাভ কৰাতো তাত আমাৰ মাজত থাকি সাহস আৰু সহযোগিতা আগবঢ়াই আমাৰ মাজৰ পৰা চিৰদিন, চিৰকাললৈ আঁতৰি যোৱা সেইসকল নমস্য ব্যক্তিৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে পুনৰবাৰ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। তেখেতসকল যতেই আছে শান্তিৰে থাকক আৰু আমাকো আশীৰ্বাদ দিয়ক।

২০২২ চনৰ ২৭ মাৰ্চ তাৰিখে অনুষ্ঠিত হোৱা ফাটবিহুৰ সাধাৰণ পৰিষদৰ সভাই ২০২২-২৩ আৰু ২০২৪-২৫ বৰ্ষৰ বাবে এনে এক ঐতিহ্যপূৰ্ণ পৱিত্ৰ মহান অনুষ্ঠানৰ সম্পাদকৰ দৰে এনে গধুৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰে। ফাটবিহুক ভালপাওঁ, ফাটবিহুৰ লগত এৰাব নোৱাৰা সমন্ধ আছে বাবেই কিজানি এনে গধুৰ দায়িত্ব পালো বুলি আভ্যন্তৰীণ গৌৰৱ অনুভৱ নকৰা নহয়। ফাটবিহু সংবিধানৰ নীতি-আদৰ্শ আৰু ৰাইজৰ পৰম আশীৰ্বাদত আমি আমাৰ দায়িত্বত আগবাঢ়িলো। আমাৰ এই যাত্ৰাত ভাল আৰু বেয়া সকলোবোৰ দিশ ৰাইজৰ দৃষ্টিত আৱদ্ধ হৈ আছে। তাত আমাৰ সন্দেহ নাই। "হস্তীৰো পিছলে পাৰ, সৎজনৰো বুৰে নাওঁ"। এই ক্ষেত্ৰত আমাৰ সফলতাৰ বাবে আমি আপোনালোকৰ আশীৰ্বাদক প্ৰাধান্য দিছো আৰু বিফলতাৰ বাবে সৰ্বজনৰ চৰণত ক্ষমা ভিক্ষা মাগিছো। ফাটবিহু অতীতক লৈ হাবাথুৰি খাই ফুৰা এতিয়া আমাৰ প্ৰয়োজন নাই। ফাটবিহুৱে জনপ্ৰিয়তা আৰু সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছে। নিজৰ স্ব-অভিমানেৰে নিজৰ ঐতিহ্যৰে ফাটবিহু এতিয়া পূৰ্ণাঙ্গ ৰূপত বিশ্ব বাসীৰ দৃষ্টিত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। তাৰ বাবে আমি ঢকুৱাখনাবাসীয়ে হাজাৰ বাৰ গৌৰৱ কৰিবলৈ স্থল আছে। এনে এক বৃহৎ বিহু অনুষ্ঠানৰ অসমত বিৰল। এইয়া সম্ভৱ হৈছে ঢকুৱাখনাবাসীৰ অকৃত্ৰিম চেষ্টা আৰু কপতবিহীন আশীৰ্বাদ। এই আপাহতে সমূহ ঢকুৱাখনাবাসীৰ ওচৰত সেৱা জনাইছো। বহু ঘাট-প্ৰতিঘাটৰ মাজেৰে ফাটবিহুৱে বৰ্তমান অৱস্থাত বিশ্ববাসীৰ ওচৰত নিজকে সততা আৰু নিষ্ঠাৰে আত্মবিশ্বাস ৰাখি থিয় দিছে। প্ৰতি বছৰে বছৰে ফাটবিহুৱে বহন কৰি আহিছে অনৈক্যৰ মাজত ঐক্য, মৰম স্নেহ আৰু ঢকুৱাখনাৰ গৌৰৱ। ফাটবিহু সঁচাই এই বিৰল দৃষ্টান্ত যাক দেশবাসীয়ে একে মুখে স্বীকাৰ কৰিছে। ফাটবিহুৰ ওপৰত প্ৰশ্নবোধক চিন থাকিলেও আমি দেখাত সেই সমূহৰ উত্তৰ অতি শৃংখলাবদ্ধভাৱে সমাজৰ আগত দাঙি ধৰা হৈছে। অভাজনে ১৯৭৬ চনৰ পৰা ফাটবিহুৰ লগত জড়িত হৈ আমাৰ এক বিশ্বাস কোনো ব্যক্তি বা অনুষ্ঠান বা প্ৰতিষ্ঠানে ফাটবিহুক কালিমা সানিবলৈ অপচেষ্টা কৰিলেও সেইসকল কেতিয়াও সফল হ'ব নোৱাৰে। কাৰণ ফাটবিহুৱে দায়বদ্ধতা আৰু পৰম্পৰা সুন্দৰভাৱে ধৰি ৰাখিছে। ফাটবিহু সংবিধানৰ প্ৰতিটো অনুচ্ছেদক প্ৰতিগৰাকী বিষয়-ববীয়াই নিষ্ঠা আৰু সততাৰে সন্মান জনাই আহিছে। ৰজাদিনীয়া নদীৰ ফাটত মৰা বিহুৱেই কিজানি ফাটবিহু ৰূপত আজি গুণৱতী আৰু ৰূপৱতী হৈ জিলিকী আছে। আজি ফাটবিহুৱে কেৱল ঢকুৱাখনাকেই গৌৰৱ কৰিব দিয়া নাই সমগ্ৰ অসম তথা দেশবাসীৰ সাংস্কৃতিক পথাৰখনত এজোপা প্ৰকাণ্ড বৃক্ষ ৰূপে গা কৰি উঠি সংস্কৃতিপ্ৰেমী ৰাইজক গৌৰৱ কৰিবলৈ সুবিধা আৰু সুযোগ প্ৰদান কৰিছে। ফাটবিহু জগতসভাত জিলিকি থাকক তাৰেই কামনা কৰিছোঁ।

হে সুধীবৃন্দ,

২০২২ বৰ্ষৰ পৰা বৰ্তমান সময়তে ফাটবিহু সমিতিয়ে কৰা কাম-কাজৰ বিষয়ে আপোনালোকৰ ওচৰত অৱগত কৰিব খুজিছো। ফাটবিহুতলীত পানী জমা হোৱা অংশবোৰৰ লগতে দ-মাটি সমান কৰি ফাটবিহু সন্মুখৰভাগ যান-বাহন ৰাখিবৰ কাৰণে মাটি পেলাই উন্নতিকৰণ কৰা হয়। ফাটবিহু সমিতিৰ সন্মানীয় সভাপতি শ্ৰীযুত বসন্ত শইকীয়াদেৱৰ বিশেষ প্ৰচেষ্টাত সাংসদ, বিধায়ক আৰু পৌৰসভাৰ পুঁজিৰে ফাটবিহু মঞ্চ মেৰামতি আৰু নতুন টিনপাত লগাই ন-কৈ উন্নতিকৰণ কৰা হয়। একে বৰ্ষতে মঞ্চৰ দুয়োফালে থকা প্ৰেক্ষাগৃহ দুটিৰ সম্পূৰ্ণ নতুন টিনপাত লগাই মেৰামতি কৰা হয়। ফাটবিহুতলীত পুৰুষ আৰু মহিলাৰ বাবে উন্নতমানৰ (RCC) শৌচাগাৰ আৰু প্ৰস্ৰাৱগাৰ নিৰ্মাণ কৰা হয়। আমাৰ গৌৰৱ ফাটবিহু জাপিঘৰটি ফাটবিহু কাৰ্যালয় হিচাপে উন্নতিকৰণ কৰা হয়। পুৰণি আলমাৰী আৰু বুকচেল্ফবোৰ মেৰামতি কৰি পুনৰ ব্যৱহাৰৰ উপযোগী কৰা হয়। সভাপতিকে প্ৰমুখ্যে কৰি ফাটবিহু সমিতিৰ বিষয়-ববীয়াৰ বাবে চকী-টেবুল কিনা হয়। জাপিঘৰত টাইল্‌চ লগোৱা আৰু লোহাৰৰ গেট নিৰ্মাণ কৰা হয়। বিচাৰকৰ বাবে ১০খন টেবুল, ৯ টা দীঘল গাৰু, ২টা গৰম পানীৰ ফ্লাক্স ক্ৰয় কৰা হয়। ফাটবিহু কাৰ্যালয়ৰ বাবে ১টা ষ্টীল আলমাৰী কিনা হয়। বিচাৰক আৰু বিশেষ অতিথিৰ বাবে ৬ টা ডাঙৰ হট্‌কেছ কিনা হয়। মাননীয় ফাটবিহু সমিতি সভাপতিৰ বিশেষ প্ৰচেষ্টাত ফাটবিহু উন্নয়নৰ বাবে চৰকাৰৰ পক্ষৰ পৰা ২৫ লাখ টকা ২০২৩-২৪ বৰ্ষৰ বাবে অনুদান অনা হয়। জনাবলৈ পাই সুখী হৈছোঁ যে, ২০২৪-২৫ বৰ্ষৰ বাবেও মাননীয় সভাপতি মহোদয়ে পুনৰ ২৫ লাখ টকা আনিবৰ বাবে প্ৰায় ৮০ শতাংশ কাম সম্পূৰ্ণ কৰিছে। ইয়াৰ উপৰিও মাননীয় ফাটবিহু সমিতিৰ সভাপতি ডাঙৰীয়াই লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ শ্ৰদ্ধাৰ শ্ৰীযুত প্ৰদান বৰুৱা, ঢকুৱাখনা বিধানসভা সমষ্টিৰ বিধায়ক শ্ৰদ্ধাৰ শ্ৰীযুত নৱ কুমাৰ দলেদেৱৰ লগত আলোচনা কৰি ফাটবিহুলৈ কেনেদৰে ৫ কোটি টকা এটা Corpus Fund অনা হ'ব তাৰ বাবে এই ক্ষেত্ৰত অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী শ্ৰদ্ধাৰ ড০ হিমন্ত বিশ্ব শৰ্মাদেৱৰ লগত সঘন যোগাযোগ অব্যাহত ৰাখিছে। সম্ভৱত ২০২৬ চনৰ শেষৰ ফালে ঢকুৱাখনাবাসীয়ে মুখ্যমন্ত্ৰী কৃপাত Corpus Fundৰ সু-খবৰটো লাভ কৰিব। এনে অনুদান লাভ কৰিলে ফাটবিহু উদ্‌যাপনৰ ক্ষেত্ৰত থকা আৰ্থিক জটিলতা ওৰ পৰাৰ লগতে ঢকুৱাখনাবাসীয়ে সকাহ পাব। মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰা ২০ কোটি টকা প্ৰকল্পৰ কাম ২০২৫ বৰ্ষৰ মে' মাহৰ পৰা আৰম্ভ হৈ ২০২৬ বৰ্ষৰ শেষৰ ফালে ফাটবিহু উদ্‌যাপনৰ আগে আগে প্ৰকল্পৰ কাম শেষ হোৱা পূৰ্ণ সম্ভাৱনা আছে। ইতিমধ্যে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে মুখ্য অভিযন্তাসহ এটি উচ্চ স্তৰীয় বিষয়া দল আহি ফাটবিহুতলীত উপস্থিত হৈ ন-কৈ নিৰ্মাণ হ'ব লগা ২০ কোটি টকা প্ৰকল্পৰ প্ৰাক্কলন প্ৰস্তুত কৰি নিবিদা আহ্বান কৰিছে। সভাপতি মহোদয়ে জানিবলৈ দিয়া অনুসৰি ২০২৫ বৰ্ষৰ ফাটবিহু উদ্‌যাপনৰ যিকোনো এটা দিনত অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাদেৱে ২০ কোটি টকাৰ শিলা ন্যাস কৰিব। যোৰহাটৰ পৰা প্ৰকাশ পোৱা অসমৰ জনপ্ৰিয় বৰকটকী অসমীয়া কেলেণ্ডাৰত ফাটবিহু উদ্‌যাপনৰ তাৰিখ অন্তভুৰ্ক্তিৰ বাবে বৰকটকী কোম্পানী স্বত্বাধিকাৰৰ লগত যোগোযোগ কৰি কেলেণ্ডাৰত ফাটবিহুৰ দিন-বাৰ অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছোঁ। ৰাইজে যথা সম্ভৱ ১৯৪৭ শক, ২০২৫ বৰ্ষৰ লগতে প্ৰতিবছৰে পহিলা ব'হাগতে উক্ত কেলেণ্ডাৰত উদ্‌যাপনৰ দিন-বাৰ আৰু তাৰিখ চাব পাৰিব। ফাটবিহু সমিতিয়ে ফাটবিহু প্ৰতীক (Logo's) ডাঙৰকৈ নিৰ্মাণ কৰি সৌন্দৰ্যবোধৰ বাবে কাম কৰি থকা হৈছে। প্ৰায় ৭০ শতাংশ কাম আগবাঢ়িছে। ভবা হৈছে এইবাৰ মুখ্যমন্ত্ৰীৰ উপস্থিতিতে স্থায়ীভাৱে নিৰ্মাণ কৰা ফাটবিহুৰ প্ৰতীক (Logo's) উন্মোচন কৰা হ'ব। জাপিঘৰ আৰু আলহী ঘৰৰ খটখটিৰ ওপৰত টিনপাত লগোৱা হয় আৰু লেৰিং আদি মেৰামতি কৰি উন্নতিকৰণ কৰা হয়। সভা-সমিতি পাতিবৰ বাবে দুখন ডাঙৰ টেবুল ক্ৰয় কৰা হয়। জাপিঘৰৰ ফাটবিহু কাৰ্যালয়ত এখন ওৱাল ফেন লগোৱা হয়। ফাটবিহু প্ৰতিযোগিতাসমূহৰ বঁটা (ট্ৰফী) দিয়া দাতাসকলৰ ঘৰে ঘৰে গৈ কৃতজ্ঞতা পত্ৰ জ্ঞাপন কৰা হয়। ফাটবিহু অতীত আৰু বৰ্তমানক

ইতিহাস ৰূপে ৰাখিবৰ বাবে তথ্যচিত্ৰ নিৰ্মাণ কৰা হয়। এই তথ্যচিত্ৰৰ জৰিয়তে দেশ-বিদেশৰ সকলোৰে ফাটবিহুৰ বিষয়ে জ্ঞাত হোৱাৰ লগতে ফাটবিহু অতীত আৰু বৰ্তমানৰ বিষয়ে জানিব পাৰি ফাটবিহুৱে আৰু অধিক সমাদৰ লাভ কৰিছে। ফাটবিহু ৱেবচাইট পুনৰ উজ্জীৱিত কৰি ফাটবিহু প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হয়। ফাটবিহুক অধিক মহীয়ান কৰাৰ লক্ষ্যৰে ফাটবিহুৰ অন্তিম দিনত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। ফাটবিহু ৰেজিষ্ট্ৰেচন নবীকৰণ কৰাৰ লগতে বসুন্ধৰা ৩.০ত মাটি অন্তৰ্ভুক্ত কৰা হয়। ফাটবিহুতলীত থকা ঘন গছপুলিসমূহ জে.চি.বি.ৰ জৰিয়তে খান্দি ফাটবিহুতলীৰ গছ নথকা ঠাইত ৰোপণ কৰা হয়। আমাৰ সমিতিয়ে ঢকুৱাখনাৰ শ্ৰেষ্ঠ আৰু জ্যেষ্ঠ বয়সীয়াল, কৃষক, মুগা পালক, বিহুৱা-বিহুৱতীক বিশেষ সম্বৰ্ধনা জনোৱা ব্যৱস্থা গ্ৰহণ কৰা হয়। লগতে ফাটবিহুতলীত বিনামূলীয়াকৈ বিহু কৰ্মশালা অনুষ্ঠিত কৰি নাচনী, ঢুলীয়া, পেঁপুৱাসকলক উৎসাহিত কৰা হয়। শ্ৰদ্ধেয় ৰাইজ, ইয়াৰ উপৰিও ফাটবিহু সমিতিৰ বেংক পাছবুকত বৰ্তমানে এক শকত পৰিমাণৰ পুঁজি জমা কৰি ৰখা হৈছে।

শ্ৰদ্ধাঞ্জলি জনাব খুজিছোঁ ঃ

আমাৰ এই তিনিটা বৰ্ষৰ কাৰ্যকালত ফাটবিহুৰ লগত সুদীৰ্ঘ দিন জড়িত হৈ থাকি যিসকল আমাৰ নমস্য ব্যক্তি আমাৰ মাজৰ পৰা পৰলোকলৈ গমন কৰিলে তেখেতসকল প্ৰয়াত সৰ্বেশ্বৰ সুত বৰুৱা ডাঙৰীয়া, প্ৰয়াত জগদীশ গগৈ ডাঙৰীয়া, প্ৰয়াত শিৱ প্ৰসাদ গগৈ ডাঙৰীয়া, প্ৰয়াত চন্দ্ৰনাথ পেগু ডাঙৰীয়া, প্ৰয়াত পীতাম্বৰ দত্ত ডাঙৰীয়া, প্ৰয়াত কমল চুতীয়া ডাঙৰীয়া, প্ৰয়াত দুৰ্গা আগৰৱালা ডাঙৰীয়া, প্ৰয়াত থানুৰাম ভৰালী ডাঙৰীয়া, প্ৰয়াত অনুৰাধা গগৈ ডাঙৰীয়াকে আদি কৰি আমাৰ অজ্ঞাতে আৰু যদি ফাটবিহুক ভালপোৱা ফাটবিহুৰ প্ৰতি দায়বদ্ধ থকা কোনো ব্যক্তি আমাৰ মাজৰ পৰা স্বৰ্গগামী হৈছে আমি সকলোৰে আত্মাৰ চিৰশান্তিৰ বাবে ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনাই শ্ৰদ্ধা সহকাৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি পুনৰবাৰ তেখেতসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জনাইছোঁ।

শ্ৰদ্ধেয় সদন,

ধন্যবাদ আৰু কৃতজ্ঞতা জনাব খুজিছোঁ। প্ৰথমে ফাটবিহু সমিতি দক্ষ আৰু সন্মানীয় সভাপতি শ্ৰীযুত বসন্ত শইকীয়াদেৱ, ফাটবিহু সমিতিৰ উপদেষ্টামণ্ডলী, বিষয়-ববীয়া, সদস্য-সদস্যা, হিচাপ পৰীক্ষকদ্বয়ৰ লগতে সমূহ ফাটবিহুপ্ৰেমী ঢকুৱাখনাবাসী ৰাইজলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত, কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ। অসম চৰকাৰৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া, অসম চৰকাৰৰ মাননীয় সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী শ্ৰীযুত বিমল বৰা ডাঙৰীয়া, অসম চৰকাৰৰ মাননীয় শিক্ষামন্ত্ৰী ড০ ৰনোজ পেগু ডাঙৰীয়া, অসম চৰকাৰৰ মাননীয় মন্ত্ৰী শ্ৰীযুত ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়া, লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ তথা ফাটবিহু সমিতিৰ মুখ্য উপদেষ্টা শ্ৰীযুত প্ৰদান বৰুৱা ডাঙৰীয়া, সন্মানীয় ঢকুৱাখনা বিধানসভা সমষ্টিৰ বিধায়ক তথা আমাৰ মৰমৰ জননেতা তথা ফাটবিহু সমিতিৰ মুখ্য উপদেষ্টা শ্ৰীযুত নব কুমাৰ দলে ডাঙৰীয়ালৈ ফাটবিহু সমিতিৰ হৈ আমি অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। লখিমপুৰ জিলা প্ৰশাসন আৰু সাংস্কৃতিক পৰিক্ৰমা বিভাগ, ঢকুৱাখনা সমজিলা প্ৰশাসন, ঢকুৱাখনা পৌৰসভাৰ পৌৰপতিৰ লগতে বিষয়-ববীয়া আৰু কৰ্মচাৰীবৃন্দলৈ, ঢকুৱাখনা ব্যৱসায়ী সন্থা, ঢকুৱাখনা বজাৰ সন্থা, ঢকুৱাখনা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু দল-সংগঠনৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ। যোৰহাটৰ বৰকটকী কোম্পানী সন্মানীয় স্বতাধিকাৰ শ্ৰদ্ধাৰ শ্ৰীযুত জ্যোতি প্ৰসাদ বৰকটকীদেৱলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

সংবাদ মাধ্যমৰ সাংবাদিক বন্ধু-বৰ্গলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই আপাহতে ফাটবিহু প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত তেখেতসকল যাতে সদায় আগত থাকে তাৰে কামনা কৰিলোঁ।

আমাৰ কাৰ্যকালৰ প্ৰতিখন উদ্‌যাপন সমিতি বিষয়-ববীয়ালৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। আমাৰ কাৰ্যকালৰ

তিনিটা বৰ্ষত প্ৰয়াত লক্ষীনন্দন গগৈ, প্ৰয়াত ঘনশ্যাম গগৈ, প্ৰয়াত ৰেৱত চন্দ্ৰ গগৈৰ পৰিয়ালবৰ্গই ফাটবিহু বছেৰেকীয়া প্ৰকাশ "বিহুৰান" প্ৰকাশৰ দায়িত্ব লৈ যি মহানুভৱতাৰ পৰিচয় দিলে আমি তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ। ফাটবিহু প্ৰতিযোগিতাসমূহৰ বঁটা (ট্ৰফী) আৰু মাননীৰ দাতাসকলৰ পৰিয়ালবৰ্গলৈ এই আপাহতে কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ফাটবিহুৰ তথ্যচিত্ৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত যিসকলে দায়িত্ব পালন কৰি যথা সময়ত তথ্যচিত্ৰখনি প্ৰকাশ কৰিলে তেখেতসকললৈ মোৰ কৃতজ্ঞতা যাঁচিছো। ফাটবিহু প্ৰতিযোগিতাসমূহত বিচাৰকৰ আসন অলংকৃত কৰা সেইসকল মহান বিচাৰকলৈ সেৱা আৰু কৃতজ্ঞতা জনাইছোঁ। গুৱাহাটীত বিশেষভাৱে আমাৰ কাৰ্যকালত সহায় কৰা শ্ৰীযুত জগদীশ দত্ত, শ্ৰীযুত দেৱাশীষ (দিল) বৰুৱা আৰু শ্ৰীযুত নৱ কুমাৰ ভৰালী ডাঙৰীয়ালৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। তিনিওটা বৰ্ষত যিসকল আমন্ত্ৰিত মহান ব্যক্তি আহি ফাটবিহুতলীৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে তেখেতসকলৰ চৰণত সেৱা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। বিহুলৈ অহা জাতি-জনগোষ্ঠীৰ কৃষ্টি দলৰ লগতে পূৰ্ণবয়স্ক বিহু দল, টকা বিহু দল, চেমনীয়া বিহুদল সমূহলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ।

শ্ৰদ্ধেয় ৰাইজ,

ফাটবিহু ঢকুৱাখনাৰ প্ৰাণৰ স্পন্দন, ই আমাৰ গৌৰৱ। ফাটবিহুত আছে অতীতৰ মহিমাময় স্মৃতি। চাৰিকড়ীয়া নদীৰ অতীত ইতিহাস, ফাটবিহুত আছে একতাৰ জলন্ত উদাহৰণ। ফাটবিহু হৈছে ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত লোক উৎসৱ। ফাটবিহু উজ্বলি থাকক, আকাশৰ তৰাৰ দৰে নদীৰ দৰে বৈ যাওঁক অসম তথা বিশ্ববাসীৰ কাষলৈ তাকেই কামনা কৰিলোঁ।

সদৌ শেষত এই প্ৰতিবেদন প্ৰস্তুত কৰি আনোতে যদি কোনো ধৰণৰ ভুল-ত্ৰুটি ৰৈ গৈছে আপোনালোকৰ সৃজনীমূলক দৃষ্টিৰে শুধৰাই ল'ব বুলি প্ৰাৰ্থনা জনালো। ঢকুৱাখনাবাসীৰ লগতে অসমবাসী আৰু দেশবাসীলৈ পুনৰবাৰ প্ৰণিপাত জনাই ২০২২-২৩ আৰু ২৪-২৫ বৰ্ষৰ ফাটবিহু সমিতিৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিছোঁ।

এপৰ দুপৰ কৰি ৰাতি পাৰ হ'ল
আমাৰ বিহুত আমনি নাই,
ৰাতি পৰে পৰে ফেঁচাই কুৰুলীয়াই
আমাৰ বিহু ভাঙোতা নাই।।

*"জয়তু ঢকুৱাখনা, জয়তু ফাটবিহু"।।*

শ্ৰদ্ধাৰে

(ভাস্কৰ দাস)
সম্পাদক
ফাটবিহু সমিতি